অধ্যায় ৯ ঃ সাম্প্রতিক দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা
৯.৩.১ শব্দৰ ভুল প্ৰয়োগ
৯.৩.২ এফ. এম. তথা ভিন ভিন দৃশ্য-শ্ৰাব্য মাধ্যমৰ অসমীয়া ভাষা
৯.৩.৩ নিৰ্দিষ্টতাবাচক প্ৰত্যয়, কাৰক আদিৰ পৰিহাৰ
৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৫ অধিক জানিবলৈ
৯.৬ অগ্ৰগতিৰ খতিয়ান
৯.৭ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৰ্তমানৰ অসমীয়া ভাষাটোৰ সামগ্ৰিক ৰূপ সম্পৰ্কে অৱগত হ'ব
- দৈনন্দিন জীৱনত অসমীয়া ভাষাটোৱে কেনে পৰিৱৰ্তন লাভ কৰিছে সেই বিষয়ে আভাস লাভ কৰিব
- ভিন ভিন দৃশ্য-শ্ৰাব্য মাধ্যমে অসমীয়া ভাষাত কিদৰে প্ৰভাৱ পেলাইছে সেই সম্পৰ্কে জানিব পাৰিব
- নিৰ্দিষ্টতাবাচক প্ৰত্যয়, কাৰক আদিৰ পৰিহাৰে অসমীয়া ভাষাটো কেনে অৱস্থালৈ লৈ গৈছে সেই বিষয়ে অৱগত হ'ব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি অসমীয়া ভাষাৰ কালিকাৰ লগত সম্পৰ্কীত শব্দৰ ভুল প্ৰয়োগ, সমোচ্চাৰিত শব্দ, সমাৰ্থক শব্দ, বিপৰীত শব্দ, বাক-সংহতি আদিৰ বিষয়ে অধ্যয়ন কৰিলে। তাৰ লগতে পূৰ্বৰ বিভিন্ন অধ্যায়ত অসমীয়া ভাষাৰ ব্যাকৰণ সম্পৰ্কীয় কিছু দিশো অধ্যয়ন কৰি আহিলে। সেই অধ্যায়বোৰ অধ্যয়ন কৰোতে নিশ্চয় লক্ষ্য কৰিছে যে, অসমীয়া ভাষাৰ নিৰ্দিষ্ট ৰূপ তথা গঢ় আছে। পৰিৱৰ্তিত সময়ৰ প্ৰভাৱ কিন্তু সেইবোৰটো লক্ষ্য কৰা যায়। সেই দিশটো চকুৰ আগত ৰাখিয়েই সম্প্ৰতিক দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষাই কেনে ৰূপ পৰিগ্ৰহ কৰিছে সেই সম্পৰ্কে আলোচনা কৰিব বিচৰা হৈছে।

আমি সকলোৱে জানো যে, বর্তমান যুগ বিশ্বায়নৰ যুগ। ঔদ্যোগিক বিকাশ, ৰাজনৈতিক উত্থান-পতন, সাংস্কৃতিক সৰবৰাহ আদি বিভিন্ন দিশে সমাজ এখনলৈ পৰিৱর্তন আনিব পাৰে আৰু সমাজৰ তেনে পৰিৱর্তনে ভাষা এটাৰ ওপৰত প্রত্যক্ষ প্রভাৱ পেলায়। সভ্যতা-সমাজ-সংস্কৃতিৰ পৰিৱর্তনে মানুহৰ চিন্তন মননত গভীৰ সাঁচ বহুৱায় আৰু তাৰ ফলতে একো একোটা ভাষাৰ ৰূপ-ৰঙৰ পৰিৱর্তন ঘটে। স্বাভাৱিকতেই অসমীয়া ভাষাও ইয়াৰ ব্যতিক্রম নহয়। বর্তমান সময়ত অসমৰ মানুহৰ সামগ্রিক জীৱন পদ্ধতিৰ ব্যাপক পৰিৱর্তন সাধন হৈছে। সেই কথা নিশ্চয় আপুনিও অনুধাৱন কৰিছে। সেই পৰিৱর্তনসমূহৰ প্রভাৱ অসমীয়া ভাষাটোৰ ওপৰত যথেষ্ট পৰিমাণে পৰিছে। ফলশ্রুতিত দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্রত অসমীয়া ভাষাটোৱে কেনে ৰূপ পৰিগ্রহ কৰিছে আৰু কোনবোৰ কাৰকে ইয়াত বিশেষ প্রভাৱ পেলাইছে এই সম্পর্কে কিছুমান দিশৰ আলোচনা অধ্যায়টোত সামৰি লোৱা হৈছে। এই অধ্যায়টোত সন্নিৱিষ্ট বিষয়সমূহৰ জৰিয়তে আপুনি সাম্প্রতিক সময়ৰ অসমীয়া ভাষাৰ সামগ্রিক অৱস্থা সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

৯.৩ দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা

সমগ্র বিশ্বকে এখন সৰু গাঁৱলৈ পৰিণত কৰা গোলকীয় বাণিজ্য নীতিয়ে বর্হিবাণিজ্যৰ লগতে ইয়াৰ সমান্তৰালভাৱে ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্রখনলৈও ব্যাপক পৰিৱর্তন আনিছে। বিজ্ঞান তথা তথ্য-প্রযুক্তিৰ দ্রুত বিকাশৰ লগে লগে মানৱ সমাজৰ দৈনন্দিন জীৱন পদ্ধতিৰো যথেষ্ট সলনি হৈছে। এনে পৰিৱর্তনত সাম্রাজ্যবাদী শক্তিসমূহে সম্পূর্ণ সুযোগ গ্রহণ কৰিছে। যাৰ ফলস্বৰূপে বিভিন্ন ক্ষেত্রত তুলনামূলকভাৱে দুর্বল জাতিৰ ভাষা-সংস্কৃতিৰ স্বকীয়তা হেৰাই যোৱাৰ উপক্রম হৈছে। সকলো ভাষাৰ ক্ষেত্রতে ধ্বনি, ৰূপ, শব্দ, বাক্য এই আটাইকেইটা দিশেই অতিশয় গুৰুত্বপূর্ণ। কাৰণ একোটা ভাষা সুস্থ ৰূপত বর্তি থাকিবলৈ এই আটাইকেইটা দিশৰ মূল ৰূপটো ৰক্ষা হোৱা প্রয়োজনীয়। অৱশ্যে এইক্ষেত্রত এটা কথা উল্লেখযোগ্য যে ভাষা কেতিয়াও স্থবিৰ নহয়, ই গতিশীল। কিন্তু সেয়ে হ'লেও মূলৰূপৰা আঁতৰি যোৱা ভাষা এটাৰ ভৱিষ্যত কেতিয়াও সুৰক্ষিত নহয়। গতিকে সকলোৱে এই দিশটোৰ প্রতি সজাগ হোৱা অত্যন্ত প্রয়োজনীয়। বর্তমান তথ্য-প্রযুক্তিৰ বিকাশ, বিশ্বায়ন তথা মুক্ত অর্থনীতিৰ প্রভাৱে আন আন ভাষাৰ দৰে অসমীয়া ভাষাটোলৈও পৰিৱর্তন আনিছে। ফলস্বৰূপে দৈনন্দিন জীৱনত ব্যৱহৃত কথিত অসমীয়া ভাষাটোত ইয়াৰ যথেষ্ট প্রভাৱ পৰিছে। সাম্প্রতিক সময়ত অসমীয়া ভাষাত কথা-বতৰা পাতোঁতে এনে কিছুমান পৰিৱর্তন দেখা যায় যে ধ্বনি উচ্চাৰণ, ৰূপগত দিশ, শব্দ প্রয়োগ, বাক্য ব্যৱহাৰ আদি সকলোতে বহু নতুনত্ব আহি পৰিছে। ইংৰাজী ভাষাৰ প্রতি অধিক স্পৃহা, হিন্দী ভাষাৰ আগ্রাসন আৰু ইয়াৰ লগতে আটাইতকৈ ডাঙৰ কথা নিজৰ মাতৃভাষাটোৰ প্রতি এচাম অসমীয়া মানুহৰ অনীহা তথা অৱহেলাই ভাষাটোৰ মূল ৰূপটো বর্তি থকাত আঘাত হানিছে।

শব্দ ব্যৱহাৰৰ ক্ষেত্রত দেখা যায় যে বিশ্বায়নে অসমীয়া শব্দসম্ভাৰত ব্যাপক প্রভাৱ পেলাইছে। পুৱাৰ পৰা নিশালৈকে বিভিন্ন ক্ষেত্রত অসমীয়া মানুহে কেৱল ইংৰাজী শব্দকে ব্যৱহাৰ

কৰিবলৈ ধৰিছে। ইয়াৰ লগে লগে পৰম্পৰাগত বহুতো নিভাঁজ অসমীয়া শব্দ হেৰাই গৈছে আৰু দৈনন্দিন জীৱন যাত্ৰাত নতুন নতুন ইংৰাজী শব্দৰ বহুল প্ৰয়োগ ঘটিছে। এইক্ষেত্ৰত সম্বন্ধবাচক অসমীয়া শব্দবোৰৰ কথা বিশেষভাৱে উল্লেখযোগ্য। বৰ্তমান বৰদেউতা, তাৰৈ, আমৈ, দদাইদেউ, আই, বোপাই, ককাইদেউ আদি নিভাঁজ অসমীয়া শব্দবোৰ ব্যৱহাৰ কৰিবলৈ এৰি দিছে আৰু আংকল, আণ্টি, ডেড্, মাম্মী, পাপা, বেটা, দিদি, কাজিন, হাজবেণ্ড, ৱাইফ, ফাদাৰ ইন ল, মাদাৰ ইন ল, চাচা আদি শব্দবোৰ অধিক সংখ্যক অসমীয়া মানুহেই ব্যৱহাৰ কৰিবলৈ ধৰিছে। তদুপৰি ব্ৰেকফাষ্ট, ফ্ৰিজ, মাৰ্কেট, ফ্লাইট, কলিং বেল, টেবুল, বেল্‌কনি, অনলাইন, ম'বাইল, ডাউনল'ড, আপল'ড, চকলেট, কম্পিউটাৰ আদি শব্দবোৰ অসমীয়া ভাষাত নিগাজিকৈ সোমাই পৰিছে। আকৌ ইংৰাজীৰে বহু শব্দ বৰ্তমান সংক্ষিপ্ত ৰূপত ব্যৱহাৰ কৰাৰ প্ৰৱণতা বহুলভাৱে পৰিলক্ষিত হয়। ব্যস্ত পৃথিৱীৰ ব্যস্ত মানুহৰ সময়ৰ অভাৱতেই হওক বা নতুনক আদৰাৰ চিনস্বৰূপেই হওক অসমীয়া লোকে প্ৰায়েই সংক্ষিপ্তভাৱে শব্দবোৰ উচ্চাৰণ কৰে। এইক্ষেত্ৰত এগ্‌জাম (এগ্‌জামিনেশ্যন্), লেব্ (লেবৰেটৰী), মাছকম (মাছ্‌কমিউনিকেশ্যন্), ইনট্ৰ' (ইনট্ৰ'ডাক্‌শ্যন্), বায়'টেক (বায়'টেকনলজি), থ্ৰি-ডি (থ্ৰি-ডাইমেন্‌শ্যন), এল. চি. ডি. (লিকুইড কমপেক্ট ডিছ) আদি শব্দবোৰ উল্লেখযোগ্য। এইবোৰ শব্দৰ উপৰি দৈনন্দিন জীৱনৰ কথিত অসমীয়াত এনে কিছুমান শব্দ সোমাই পৰিছে যি যিসমূহ প্ৰতীকি অৰ্থত প্ৰায়েই ব্যৱহাৰ হয়। বৰ্তমান যুৱসমাজৰ মাজত এই প্ৰতীকি অৰ্থযুক্ত শব্দবোৰ বহুলভাৱে প্ৰচলিত। যেনে— তামাম, চালিয়া, পতাই দিয়া, চেনী খোৱা, লেবেল, টিউব লাইট, মেলেৰীয়া, টুপী পিন্ধোৱা, কামো�ৰ, বেল আদি শব্দবোৰ এইক্ষেত্ৰত উল্লেখযোগ্য।

দেখা যায় যে শব্দৰ শুদ্ধ উচ্চাৰণৰ প্ৰতি অমনোযোগী মনোভাব, বিভিন্ন দৃশ্য-শ্ৰব্য মাধ্যমত ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত দেখা দিয়া গুৰুত্বহীনতা, ইংৰাজী-হিন্দী ভাষাৰ অন্ধ অনুকৰণ, ব্যাকৰণৰ দিশটোক কৰা সম্পূৰ্ণ অৱজ্ঞাই অসমীয়া ভাষালৈ সংকট নমাই আনিছে।

৯.৩.১ শব্দৰ ভুল প্ৰয়োগ

বৰ্তমান সময়ত প্ৰায়েই দেখা যায় যে অসমীয়া ভাষা ব্যৱহাৰ কৰা লোকসকলে বহু ধ্বনিৰ উচ্চাৰণ সঠিকভাৱে নকৰে। ইয়াৰ পৰিৱৰ্তে আন ভাষাৰ ধ্বনিৰ অনুকৰণত কথা-বতৰা পাতে। মাতৃভাষাৰ প্ৰতি থকা অৱহেলা, ইংৰাজী-হিন্দী আদি আন আন ভাষাৰ প্ৰতি থকা অত্যাধিক আগ্ৰহে এইক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে—

ক) শ, ষ, স > চ ঃ	শইকীয়া—চইকীয়া
	ঋষি—ৰিচি
	সীমান্ত—চীমান্ত
খ) জ > ঝ ঃ	জুনুকা—ঝুনুকা
গ) ক্ষ > ক্‌খ, ক্‌চ ঃ	ভিক্ষা — ভিক্‌খা

দীক্ষু —দীক্চু

ঘ) ৱ >ব ঃ জীৱন —জীবন

গৱেষণা — গবেষণা

ধ্বনিগত দিশটোৰ লগতে অসমীয়া ভাষাৰ ক্ষেত্রত প্রায়েই দেখা যায় প্রচলিত বহু অসমীয়া শব্দৰ ভুল ব্যৱহাৰ। অসমীয়া মানুহৰ নিজৰ ভাষাটোৰ ক্ষেত্রত থকা অজ্ঞতাৰ ই অন্যতম পৰিচয়। তেনে কিছুমান শব্দৰ উদাহৰণ তলত দাঙি ধৰা হ'ল —

গতিকে — গতিকতে

প্রার্থনা — পার্থনা

প্রথম — পথম

নিহত — নিহত্

ঐতিহ্য — অইতিহ্য

আৰু — ও

স্মৃতি — ইস্মিতি

নামকৰণ — নামাকৰণ

লক্ষ্য — লইখ্খ

দহ — দছ

কৰযোৰে— হাতকৰযোৰে

পৰিয়াল — পৰিয়ালবর্গ

ৰাইজ — ৰাইজসকল

এই উদাহৰণকেইটাত দেখা যায় যে শব্দ সৰলীকৰণৰ প্রৱণতা, অন্যান্য ভাষাৰ প্রতি থকা অনুৰাগ, শব্দার্থৰ ক্ষেত্রত থকা অজ্ঞতা আদিয়ে এনেধৰণৰ ভুল শব্দৰ ব্যৱহাৰৰ প্রধান কাৰণ। অসমীয়া শব্দৰ দৰে ইংৰাজী শব্দ প্রয়োগৰ ক্ষেত্রতো এনে বিসংগতি প্রায়েই ধৰা দিয়ে। যেনে—

ক) চাপ'জ ধৰি লোৱা

খ) ৰাতিপুৱা মর্ণিং ৰাক

গ) ড্রাইভিং কৰি থকা

শব্দগত দিশৰ উপৰি ৰূপগত দিশত অসমীয়া ভাষাটোৰ যথেষ্ট পৰিৱর্তন আহি পৰিছে। বর্তমান প্রায়েই দেখা যায় যে বহু লোকে অসমীয়াত কথা কওঁতে 'যা' ধাতুৰ অসমাপিকা ক্রিয়াৰূপ 'গৈ'ৰ পৰিৱর্তে 'যাই', 'যাইকিনি' ব্যৱহাৰ কৰে। যেনে—

ক) মই ঘৰ যাই কামটো কৰিম।

খ) তুমি যাইকিনি লৈ আহিবা।

সংযোজক অব্যয় প্রয়োগৰ ক্ষেত্রত দেখা যায় যে অসমীয়া সংযোজক অব্যয়ৰ পৰিৱর্তে মানুহে বাক্য একোটাত 'বাট', 'চ' আদি ব্যৱহাৰ কৰি গৌৰৱবোধ কৰে। তদুপৰি সংযোজক

অব্যয় 'আৰু'ৰ পৰিৱর্তে 'এণ্ড'ৰ ব্যৱহাৰ কথিত অসমীয়াত প্ৰায়েই দেখা যায়—

ক) গুৱাহাটী এণ্ড শ্বিলং গ'লেই কামটো হৈ যাব।

খ) দত্ত এণ্ড ফেমিলী আজি আহিব।

আকৌ দেখা যায় যে অসমীয়া ভাষাত কিছুমান ক্ৰিয়াবিহীন বাক্য ব্যৱহাৰ হয়। কিন্তু বর্তমান কথিত অসমীয়াত এনেবোৰ বাক্যত প্ৰায়েই ক্ৰিয়া সংযোগ কৰাৰ এক প্ৰৱণতা গঢ় লৈ উঠিছে। যেনে—

ক) সি মোৰ কাজিন হয়।

খ) ম'ষ্ট প্ৰবেব্লি ল'ৰাটো চেখৰ হয়।

এনেধৰণৰ ভুলবোৰে প্ৰকৃতার্থত ভাষা একোটাৰ শুদ্ধ ৰূপ ৰক্ষণত বাধাৰ সৃষ্টি কৰিছে। কথ্য অসমীয়া শব্দভাণ্ডাৰ বর্তমান হিন্দী-ইংৰাজী ভাষাৰ বিভিন্ন শব্দৰে ভৰি পৰিছে। অসমীয়া ভাষাৰ ধ্বনিৰ উচ্চাৰণ, শব্দ, বাক্য, ৰূপ আদি সকলোবোৰৰ পৰিৱর্তন ঘটিছে। নিভাঁজ অসমীয়া শব্দবোৰ দিনে দিনে হেৰাই গৈছে। বহু অসমীয়া মানুহে নিজ মাতৃভাষাটোৰ প্ৰতি কৰা এয়া অৱহেলাৰে চিহ্ন। অসমীয়া ভাষা জানি-বুজি অথবা শিকি একো লাভ নহয়, এনে মনোভাৱেৰে এইসকল লোকে নিজৰ সন্তানকো ভাষাটো শুদ্ধকৈ শিকোৱাৰপৰা আঁতৰত ৰাখিছে। এইক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় ভাষাৰূপে স্বীকৃত ইংৰাজী ভাষাৰ প্ৰতি থকা অধিক আগ্ৰহ আৰু হিন্দী ভাষাৰ আদৰে অসমীয়া ভাষাটোলৈ সংকট মাতি আনিছে। তদুপৰি অসমতে থকা ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানসমূহত অসমীয়াত কথা-বতৰা পতা কার্য এক অপৰাধস্বৰূপ। যাৰ ফলত এইসকল ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ এৰি দিছে আৰু দুই এটা কথা পাতিলেও ইংৰাজী-হিন্দীৰ সংমিশ্ৰণেৰে এটা আচহুৱা ভাষা সৃষ্টি কৰিছে। তদুপৰি কিছুসংখ্যক অসমীয়া মানুহে অসমীয়া ভাষাৰ ব্যাকৰণ অতি পাকলগা তথা টান হিচাপে ভাবিও বর্তমান ভাষাটো ব্যৱহাৰ কৰিবলৈ এৰি দিছে। যাৰ ফলশ্ৰুতিত অসমীয়া ভাষাৰ সুদীর্ঘ পৰম্পৰা জীয়াই নাথাকিবৰ উপক্ৰম ঘটিছে।গতিকে এই দিশটোৰ প্ৰতি সকলো সতর্ক তথা সাৱধান হৈ আগবঢ়া উচিত। ইয়াৰ অন্যথাই অসমীয়া ভাষাটো সংকটৰ গৰাহলৈ যাবলৈ বেছি দিন নালাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বর্তমান বহু লোকে অসমীয়াত কথা কওঁতে 'যা' ধাতুৰ অসমাপিকা ক্ৰিয়াৰূপ 'গৈ'ৰ পৰিৱর্তে কি ব্যৱহাৰ কৰে? উদাহৰণ দি বুজাওক।

.....

.....

.....

৯.৩.২ এফ এম তথা ভিন ভিন দৃশ্য-শ্রাব্য মাধ্যমৰ অসমীয়া ভাষা

যিকোনো ক্ষেত্রতে ইংৰাজী শব্দ ব্যৱহাৰ কৰি কথা-বতৰা পতাৰ প্রৱণতা গঢ় লৈ উঠাত বর্তমান কথ্য অসমীয়া ভাষাটোৰ ৰূপ প্রায় সলনি হোৱাৰ দৰে হৈছে। এইক্ষেত্রত এফ. এম. ৰেডিঅ', বিভিন্ন দৃশ্য-শ্রাব্য মাধ্যম আদিত প্রচাৰিত ভাষাটোৰ কথা বিশেষভাৱে উল্লেখযোগ্য। তেওঁলোকে অপ্রয়োজনীয়ভাৱে বহুক্ষেত্রত ইংৰাজী শব্দ ব্যৱহাৰ কৰে এনেদৰে—

ক) আজিৰ মিড্ ডে মচালা আৰ. জে. (ক)(খ)(গ)ৰ সৈতে

খ) সকলোতে বাজি আছে ইউ টার্ণ আৰ. জে. (ক)(খ)(গ)ৰ সৈতে

গ) ওপজা মাটিৰ পৰশেৰে উদ্ভাসিত প্রথমটো অসমীয়া চেটেলাইট চেনেল (ক)(খ)(গ)

কোনো কোনো সময়ত 'অভিমত', 'এই সময়', 'পৰিক্রমা', 'অনুৰণন', 'পর্যবেক্ষণ', 'সুৰ তাল লয়' আদি অসমীয়া শিৰোনাম ব্যৱহাৰ কৰে যদিও এনেবোৰ নামৰ প্রয়োগ তুলনামূলকভাৱে কম। ইয়াৰ বিপৰীতে তেওঁলোকে প্রায়েই ইংৰাজী শব্দৰ শিৰোনাম ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। এয়া নিশ্চিতভাৱে তেওঁলোকৰ ইংৰাজী ভাষা প্রীতিৰে অন্যতম নিদর্শন। উদাহৰণস্বৰূপে এইক্ষেত্রত উল্লেখযোগ্য —

ক) সাত বজাৰ প্রাইম টাইম নিউজ

খ) গুৱাহাটী লাইভ

গ) বিগ আৱাৰ

ঘ) মিড্ ডে প্রাইম

ঙ) লাইভ এট্ ১০

চ) ভিজন প্রাগ

ছ) গুড্ মর্ণিং আছাম

এককথাত তেওঁলোকে এই মাধ্যমসমূহত য'তে-ত'তে অনাহকতে ইংৰাজী-অসমীয়া মিহলি ভাষা এটাৰ সৃষ্টি কৰিছে আৰু ফলশ্রুতিত বেসুৰীয়া ভাষা এটা গঢ় লৈ উঠিছে। তদুপৰি এই দৃশ্য-শ্রাব্য মাধ্যমসমূহত কিছুমান ইংৰাজী শব্দ নিগাজীকৈ সোমাই পৰিছে, কাৰণ সেইবোৰৰ অসমীয়া প্রতিশব্দ বিচাৰি উলিওৱা কঠিন। ফলস্বৰূপে এনেবোৰ মাধ্যমৰ অসমীয়া ভাষাটো মিশ্রিত ভাষাত পৰিণত হৈছে। এফ এম ৰেডিঅ', বৈদ্যুতিন মাধ্যম আদিত ব্যৱহৃত এনে কিছুমান শব্দ হ'ল —নিউজ এংকৰ, ব্যুৰ চিফ, লাইভ, ব্রেকিং নিউজ, এক্সক্লুছিভ, পি.চি.আৰ., ডি. এচ. এন. জি., কৰেছপণ্ডেন্ট, ভিজুৱেল, ভইচ অভাৰ, চিষ্টেম, গপ চপ, আৰ. জে, অদিঅ', ৰেডিঅ' পার্টনাৰ, মিউজিক ট্রেক, ষ্টুডিঅ', চুপাৰমস্তি, ধামাকা, বিন্দাচ, হার্ড নিউজ ইত্যাদি। তদুপৰি বিভিন্ন মিশ্রিত শব্দেৰে তেওঁলোকে এনে এটা ভাষা প্রস্তুত কৰিছে যাৰ প্রকৃততে একো অর্থই নাথাকে—

ক) কুল মিৰ্ছি (ক)(খ)(গ) লুইত কুঁৱৰী (ক)(খ)(গ)

খ) শুনক শুনাওক লাইফ বনাওক

গ) এয়া বিগ চাহ্ গৰম

ঘ) যেনে মুড তেনে গান

ঙ) বিধানসভাত 'জয় আই অসম বনাম' বনাম 'ভাৰত মাতা কি জয়'

আকৌ এনে সামাজিক মাধ্যমসমূহত দেখা যায় যে তেওঁলোকে বহুক্ষেত্ৰতে বৰ্তমান কালত ভৱিষ্যতৰ ৰূপ বহুলভাৱে ব্যৱহাৰ কৰে। যাৰ ফলত ভৱিষ্যত কালৰ ৰূপ ফুটি উঠা বাক্যটোৱে প্ৰকৃতাৰ্থত বৰ্তমানৰ অৰ্থ প্ৰকাশ কৰে। উদাহৰণস্বৰূপে— 'আমি আপোনালোকক আজি দেখুৱাম (বিষয়টো প্ৰদৰ্শন কৰি থকা অৰ্থত ব্যৱহাৰ কৰে)', 'মই তোমাৰপৰা জানিব বিচাৰিম (জানিব বিচাৰিছোঁ অৰ্থত ব্যৱহাৰ কৰে)'।

এই গণমাধ্যমসমূহত বিভিন্ন ব্যক্তিৰ ভুল উচ্চাৰণ প্ৰায়েই ধৰা দিয়ে। ইংৰাজী শব্দৰ বহুল প্ৰয়োগ, বিভিন্ন শব্দৰ ভুল উচ্চাৰণ আদিৰ লগতে এফ. এম. ৰেডিঅ', বৈদ্যুতিন মাধ্যম আদিত দেখা সততে দেখা পোৱা আন এক দিশ হ'ল প্ৰচলিত অসমীয়া বাক্যগঠন ৰীতিৰ পৰিৱৰ্তন। অসমীয়া বাক্য গঠন প্ৰণালীৰ ৰীতিটো হ'ল—

কৰ্তা + কৰ্ম+ ক্ৰিয়া

—কিন্তু এনেবোৰ দৃশ্য-শ্ৰাব্য মাধ্যমত প্ৰায়েই ইংৰাজী বাক্যগঠন ৰীতিটো অনুসৰণ কৰা পৰিলক্ষিত হয়। ইংৰাজীৰ— কৰ্তা +ক্ৰিয়া + কৰ্ম। এই ৰীতিৰে বাক্য ব্যৱহাৰ কৰাটো তেওঁলোকৰ প্ৰচলিত ৰীতিত পৰিণত হৈছে। উদাহৰণস্বৰূপে— ভাৰতীয় সোমাইছে বাংলাদেশত, শিক্ষামন্ত্ৰীয়ে এফালৰপৰা লৈছে হিচাপ।

প্ৰশ্নবোধক ৰীতিৰে বাক্য উপস্থাপন কৰা প্ৰায়েই বৈদ্যুতিন মাধ্যমত পৰিলক্ষিত হয় এনেদৰে— গুটখা নিষিদ্ধকৰণত চৰকাৰৰ সঁচাকৈয়ে সদিচ্ছা আছেনে?, স্বাস্থ্য বিভাগৰ নতুন পৰিকল্পনা কি?, চিকিৎসকে ব্ৰেণ্ডেড ঔষধ লিখাটো বন্ধ কৰিবনে? ইত্যাদি।

এই মাধ্যমসমূহত ক্ৰিয়াবিহীন বাক্যৰ বহুল প্ৰয়োগ পৰিলক্ষিত হয়—

ক) যান-বাহন আৰক্ষীৰ হাতত ই-চালান মেচিন

খ) অসমলৈ জাপানৰ প্ৰধানমন্ত্ৰী ছিনজো আবে

গ) অসমতে অসমীয়াৰ ওপৰত হিন্দীভাষীৰ দাদাগিৰি

ঘ) মুম্বাই আৰক্ষীৰ জালত অসমৰ মডেলৰ স্বামী

জতুৱা ঠাঁচযুক্ত বাক্যৰ পয়োভৰ বৈদ্যুতিন মাধ্যমৰ অসমীয়া ভাষাৰ অন্যতম বিশেষত্ব—

ক) ছিঁৰাল ফাট মেলিছে আঞ্চলিক দল অসম গণ পৰিষদত।

খ) গগৈ-ৰকিবাহিনীৰ আশাত চেঁচাপানী

কেতিয়াবা আকৌ ধেমেলীয়া ৰীতিৰে একো একোটা বাৰ্তা প্ৰেৰণ কৰিছে

এনেদৰে—

এৰা ! অসম দেশৰ বিষম কথা
গছপুলি ৰোপণৰ নামত কোনে খালে লাখ লাখ টকা ?

উচ্চাৰণৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি — অ আৰু অ', এ আৰু এ'-ৰ পার্থক্যহীনতা দৃশ্য-শ্রাব্যমাধ্যমসমূহত প্রায়েই দেখা যায়। তদুপৰি বহুক্ষেত্রতে স্বৰান্ত ধ্বনিৰ পৰিৱর্তে ব্যঞ্জনান্ত ধ্বনিৰ উচ্চাৰণ কৰা পৰিলক্ষিত হয়। ফলস্বৰূপে মূল শব্দৰ অর্থ বুজাত বাধাৰ সৃষ্টি হয়। আকৌ তালব্য 'স' ধ্বনিৰ উচ্চাৰণ এনেবোৰ মাধ্যমত প্রায়েই 'চ' হিচাপে উচ্চাৰণ কৰে। যেনে—

ক) অ > অ' ঃ বলীউডত ক্রমাৎ খোপনি পুতিছে ডেইজী দলেই (উচ্চাৰণ কৰে— দ'লে)

খ) স্বৰান্ত ধ্বনি > ব্যঞ্জনান্ত ধ্বনি ঃ কেইবাজনো লোক গুৰুতৰভাৱে আহত হ'ব লগা হয় (উচ্চাৰণ কৰে - আহত্)

গ) স > চ ঃ আত্মসাৎ মধ্যাহ্ন ভোজনৰ টকাও (উচ্চাৰণ কৰে - আত্মচাৎ)।

এফ. এম. ৰেডিঅ', বৈদ্যুতিন মাধ্যম আদিৰ লগতে সংবাদ-পত্র, ফেচবুক, ৱাটচ্এপ, টুইটাৰ আদি সামাজিক মাধ্যমসমূহতো একেদৰে অসমীয়া ভাষাৰ বিভিন্ন পৰিৱর্তন ঘটা পৰিলক্ষিত হয়। কেতিয়াবা বাক্যৰ গঠনগত ভুল, কিছুমান নতুনকৈ সৃষ্টি কৰা আচহুৱা শব্দ প্রয়োগ, নির্দিষ্টতাবাচক প্রত্যয় ব্যৱহাৰৰ প্রতি কৰা অৱহেলা, সমাপিকা ক্রিয়াবিহীন বাক্য ব্যৱহাৰ আদি দিশবোৰ সংবাদ-পত্রৰ ভাষাত প্রায়েই পৰিলক্ষিত হয়। সংবাদ পত্রৰ ভাষাত বহুলভাৱে পৰিলক্ষিত এনে কিছুমান উদাহৰণ হ'ল—

ক) বাক্যৰ গঠনগত ভুল — "মণিপুৰৰ পৰা উভতাৰ পথত বৰঝাৰত ধৃত"

খ) নতুনকৈ সৃষ্টি কৰা আচহুৱা শব্দ — "বিজেপিৰ চমক", " অকর্মণ্য বিষয়া-কর্মচাৰীক ছাটাইৰ নির্দেশ"

গ) নির্দিষ্টতাবাচক প্রত্যয় পৰিহাৰ — "৪৩ নেতাক ৰাজকীয় সংস্থাপন"

ঘ) সমাপিকা ক্রিয়াবিহীন বাক্য প্রয়োগ — "শিৱসাগৰৰ শতবর্ষীয় অধিৱেশনক লৈ গুৰুত্বপূর্ণ সিদ্ধান্ত"

সংবাদ-পত্রৰ লগতে বিভিন্ন সামাজিক মাধ্যমসমূহত অসমীয়া ভাষাটো এক দুর্ভাগ্যজনক অৱস্থালৈ পৰিণত হৈছে। অৱশ্যে অসমীয়া ভাষা ৰক্ষাৰ প্রচেষ্টাও বহুজনে এনে সামাজিক মাধ্যমৰ জৰিয়তেই অব্যাহত ৰাখিছে। কিন্তু সেয়া যথেষ্ট বুলিব নোৱাৰি। জনপ্রিয় সামাজিক মাধ্যম ফেচবুকত আপলডালোঁ, টেগালোঁ, চেল্ফিয়ালোঁ, ব্লকালোঁ আদি শব্দবোৰ সকলোৰে পৰিচিত। একেদৰে ৱাটচ্এপ ডি পি, ৱাটচ্এপ ষ্টেটাচ্, গ্রুপ আইকণ আদি শব্দবোৰে এই মাধ্যমসমূহত আচুতীয়া স্থান দখল কৰিছে।

এনেদৰে দেখা যায় যে বিশ্বায়নৰ প্রভাৱতেই হওক বা তথ্য-প্রযুক্তিৰ দ্রুত বিকাশৰ বাবেই হওক বর্তমান বহুল প্রচলিত এনে দৃশ্য-শ্রাব্য মাধ্যমসমূহত ভাষাটোৰ

ক্ষেত্রত যি পৰিৱর্তন ঘটিছে সেই ক্ষেত্রত অসমীয়া ভাষাটোলৈ কিছু সংকট নামি আহিছে বুলি আশংকা কৰা হৈছে। কিয়নো সামাজিক মাধ্যমসমূহ সমাজৰ এক বিশিষ্ট অংগ। অনাহকতে ইংৰাজী শব্দ প্রয়োগ কৰি সমাজৰ আগত যিকোনো কথা প্রচাৰ কৰাৰ ক্ষেত্রত সমাজৰ বিকাশৰ পৰিৱর্তে তাত এক নেতিবাচক প্রভাৱ পৰিব বুলি ক'ব পাৰি। তদুপৰি সেই মিশ্রিত ভাষাটোৰ লগতে নতুন প্রজন্মই পৰিচিত হৈ এক বিকৃত ভাষাকে শুদ্ধ ৰূপ বুলি ভাবি লোৱাৰ সম্পূর্ণ অৱকাশ থাকে। বক্তব্য বিষয়ত অধিক ৰহণ সানিব বিচৰাত মূল ভাষাটোৰ শুদ্ধ ৰূপ বহুত দূৰতে থাকি গুছি যায়। গতিকে এইক্ষেত্রত প্রত্যেকজন ব্যক্তি সাৱধান হোৱা উচিত। ইয়াৰ অন্যথা চিৰচেনেহী অসমীয়া ভাষাটোৰ অস্তিত্ব এদিন কালৰ বুকুত হেৰাই যাব আৰু অসমীয়া ভাষা বুলিবলৈ একো নাথাকিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া বাক্য গঠন প্রণালীৰ ৰীতিটো কেনেধৰণৰ?

.....

প্রশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক— উচ্চাৰণৰ ক্ষেত্রত অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি — অ আৰু অ', এ আৰু এ'-ৰ পার্থক্যহীনতা দৃশ্য-শ্রাব্য মাধ্যমসমূহত প্রায়েই দেখা যায়।

.....

৯.৩.৩ নির্দিষ্টতাবাচক প্রত্যয়, কাৰক আদিৰ পৰিহাৰ

ইংৰাজী শব্দৰ বহুল প্রয়োগৰ লগতে ব্যাকৰণগত দিশটোৰ ক্ষেত্রত কৰা অৱজ্ঞাই অসমীয়া ভাষাটো শুদ্ধ ৰূপত বর্তি থকাত সংকট কঢ়িয়াই আনিছে। এইক্ষেত্রত নির্দিষ্টতাবাচক প্রত্যয়, কাৰক আদিৰ প্রতি থকা অসমীয়া মানুহৰ অৱজ্ঞাৰ দিশটো বিশেষভাৱে উল্লেখযোগ্য। অসমীয়া ভাষাত কিছুমান বিশেষ নির্দিষ্টতাবাচক প্রত্যয় ব্যৱহাৰ কৰা হয় আৰু এই প্রত্যয়সমূহে কোনো বস্তুৰ আকৃতি, প্রকৃতি, লিংগ, সংখ্যা, পৰিমাণ আদি নির্দিষ্টকৈ সূচায়। নির্দিষ্টকৈ বুজাবলৈ বিশেষ্য শব্দৰ পাছত এনে প্রত্যয় সংযোগ কৰা হয়। বিশেষ্য শব্দৰ উপৰি বিশেষণ, সংখ্যাবাচক শব্দ আৰু প্রথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন কিছুমান সর্বনামৰ পাছত যোগ হয়। গতিকে এনেদৰে শব্দৰ পিছত বহি সেই শব্দই বুজোৱা বস্তু বা প্রাণীৰ আকৃতি, প্রকৃতি, লিংগ আদি নির্দিষ্টকৈ বুজাই দিয়া প্রত্যয়সমূহকে নির্দিষ্টতাবাচক প্রত্যয় বোলা হয়। অসমীয়া ভাষাত যথেষ্টসংখ্যক নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ আছে। এই বিষয়ে ইতিমধ্যে আপুনি বিস্তৃতভাৱে অধ্যয়ন কৰি আহিছে। কিন্তু বর্তমান বহু লোকেই এই দিশটোৰ প্রতি সচেতন নহয়, যাৰ ফলশ্রুতিত ভাষাটোৰ স্বকীয় ঐতিহ্য হেৰাই যোৱাৰ উপক্রম ঘটিছে।

অসমীয়া ভাষাত খন, টো, জন, জনী, খিলা, ডাল, হাল, খিনি, কুৰা, ডোখৰ, থোপা, জোপা, জাক, কণ, থোকা, টাঁৰ, যোৰ, টুকুৰা, চটা আদি বিভিন্ন অর্থত বিভিন্ন নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ হয়। কিন্তু বর্তমান এই দিশটোৰ প্রতি মানুহৰ উদাসীনতাৰ বাবেই ইয়াৰ সঠিক প্রয়োগ বহুক্ষেত্রতে দেখা নাযায়। আজিকালি প্রায়েই বহু লোকে 'টো' নির্দিষ্টতাবাচক প্রত্যয় অধিক ব্যৱহাৰ কৰে। যেনে—

ক) চকীখনৰ পৰিৱর্তে চকীটো

খ) কিতাপখনৰ পৰিৱর্তে কিতাপটো

গ) কাগজখনৰ পৰিৱর্তে কাগজটো

ঘ) চুলিকোছাৰ পৰিৱর্তে চুলিটো

ঙ) ফুলপাহৰ পৰিৱর্তে ফুলটো

শ্রেণীনির্দেশক প্রত্যয়ৰ এনে প্রয়োগে ব্যাকৰণগত দিশটোত থকা মানুহৰ অজ্ঞতাৰ স্বৰূপ প্রকাশক আৰু বিশুদ্ধ অসমীয়া ভাষা প্রয়োগত এনেবোৰ কাৰকে প্রতিবন্ধকতা জন্মায়।



জানি থোৱা ভাল

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা নির্দিষ্টতাবাচক প্রত্যয় সম্পর্কে জানিবলগীয়া—

- অপ্রাণীবাচক শব্দৰ পাছত যোগ হয় 'খন'— ফুলনিখন, নৈখন, আকাশখন, চকীখন।
- বিশেষ্য, বিশেষণ, সর্বনাম, প্রাণীবাচক, অপ্রাণীবাচক, মূর্ত আৰু অমূর্ত শব্দৰ পাছত যোগ হয় 'টো'— ল'ৰাটো, গৰুটো, মনটো।
- গোটা, দীঘল, ঘূৰণীয়া বস্তুক বুজাবলৈ ব্যৱহৃত হয় 'ডাল' —কাঠডাল, মালাডাল, পেঞ্চিলডাল।
- চেপেটা, দীঘল বস্তুক বুজাবলৈ বিশেষকৈ ফালি চটাচট কৰা বস্তুক বুজাবলৈ ব্যৱহাৰ হয় 'চটা'— খৰিচটা, বাঁহচটা, তিনিচটা।

আকৌ অসমীয়া ভাষাত পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয় শুদ্ধ ৰূপত প্রয়োগৰ ক্ষেত্রতো বর্তমান মানুহৰ উদাসীন মনোভংগী প্রায়েই পৰিলক্ষিত হয়। অসমীয়া ভাষাৰ সম্বন্ধ বুজোৱা মা, দেউতা, আই, বোপাই আদি শব্দৰ পাছত কিছুমান প্রত্যয় যোগ হয়। এই প্রত্যয়বোৰ সেই শব্দবোৰৰ লগত থকা পুৰুষবাচক সর্বনাম শব্দবোৰৰ প্রথম, দ্বিতীয় বা তৃতীয় পুৰুষ অনুযায়ী ভিন ভিন হয়। যেনে— মোৰ মা, তোমাৰ মাৰা, তাৰ মাক। এনেবোৰ প্রত্যয়েই হৈছে পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয়। কিন্তু বর্তমান দ্বিতীয় আৰু তৃতীয় পুৰুষত যোগ হোৱা পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয়সমূহ মানুহে প্রায়েই

আওকাণ কৰা পৰিলক্ষিত হয়। যেনে— 'তোমাৰ মা কেতিয়া আহিব?', 'তাৰ দেউতা ঘৰত আছে' ইত্যাদি। তদুপৰি সম্বোধনবাচক নির্দিষ্টতাবাচক প্রত্যয় প্রয়োগৰ দিশটোও বর্তমান প্রায়েই কম বুলিব পাৰি। কোনো ব্যক্তিক সন্মান কৰি মাতিবলৈ যিজনে মাতিব তেওঁৰে সৈতে ব্যক্তিজনৰ সম্বন্ধ কেনেকুৱা অর্থাৎ তেওঁতকৈ বয়সত সৰু নে ডাঙৰ আদি অর্থ অনুযায়ী সম্বোধন বুজোৱা ৰূপৰ পাছত কিছুমান প্রত্যয় লগ লাগে। এইবোৰকে সম্বন্ধবাচক প্রত্যয় বোলা হয়। যেনে—

ক) হে-ৰা (মানত সমানজনক বুজাবলৈ)

খ) হে-ৰি (মানত ডাঙৰজনক বুজাবলৈ)

গ) হে-ৰ, হে-ৰৌ (মানত সৰুজনক বুজোৱাৰ ক্ষেত্রত)

কিন্তু বর্তমান সময়ত এই সম্বোধনবাচক নির্দিষ্টতাবাচক প্রত্যয়সমূহ মানুহে প্রায়েই পৰিহাৰ কৰে। পূর্বে স্বামীয়ে স্ত্রীক 'হে-ৰা' সম্বোধন আৰু স্ত্রীয়ে স্বামীক 'হে-ৰি' সম্বন্ধবাচক প্রত্যয়েৰে সম্বোধন কৰিছিল। কিন্তু বর্তমান ইয়াৰ প্রয়োগ সীমিত বা নাই বুলিবই পাৰি।

নির্দিষ্টতাবাচক প্রত্যয়সমূহৰ দৰে কাৰকৰ ব্যৱহাৰৰ প্রতিও মানুহ সচেতন নহয়। যাৰ পৰিপ্রেক্ষিতত দৈনন্দিন জীৱনৰ অসমীয়া ভাষাটো শুদ্ধৰূপত ব্যৱহাৰ নোহোৱাৰ দৰে হৈছে। বাক্যত ব্যৱহৃত অন্যান্য পদবোৰৰ লগত ক্রিয়াপদৰ যি সম্বন্ধ সেই সম্বন্ধক কাৰক বোলা হয়। যেনে—

যদুৱে খায়।

হৰিয়ে ৰামক মাতিছে।

ওপৰৰ বাক্য দুটাত 'খায়' ক্রিয়াৰ লগত যদু আৰু 'মাতিছে' ক্রিয়াৰ লগত হৰি আৰু ৰাম শব্দৰ সম্বন্ধ স্থাপন হৈছে। এককথাত ক্রিয়াৰ লগত যাৰ অন্বয় হয়, সেইটোৱে কাৰক। অসমীয়াত কর্তা, কর্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ এই ছটা কাৰক আছে। এই ছটা কাৰকৰ অর্থ প্রকাশ কৰিবলৈ কিছুমান বিভক্তি সংযোগ কৰা হয়। কিন্তু দৈনন্দিন জীৱনত কথা বতৰা পাতোঁতে অসমীয়া ভাষাত প্রায়েই নিমিত্ত কাৰকত ব্যৱহৃত চতুর্থী বিভক্তি পৰিহাৰ কৰা পৰিলক্ষিত হয়। যেনে—

তেওঁ গুৱাহাটী গ'ল

মই ঘৰ যাঁও

সি ফুৰিব যাব

অসমীয়া ভাষাত প্রতি, নিমিত্ত, উদ্দেশ্য, দিশ, লক্ষ্য আদি অর্থত ক্রিয়াৰ লগত কিছুমান শব্দৰ সম্বন্ধ ঘটে, যাক নিমিত্ত কাৰক বোলা হয়। নিমিত্ত কাৰকত চতুর্থী বিভক্তিৰ চিন 'লৈ' ব্যৱহৃত হয়।

কর্তাই যাৰদ্বাৰা ক্রিয়া সম্পন্ন কৰে সেয়ে কৰণ কাৰক। কৰণ কাৰকত তৃতীয়া বিভক্তি যোগ হয় আৰু এই বিভক্তিৰ চিন 'ৰে/এৰে'। অসমীয়া ভাষা কওঁতে ব্যক্তিয়ে কৰণ কাৰকত যোগ হোৱা তৃতীয়া বিভক্তিৰ চিন 'ৰে' ব্যৱহাৰ কৰে যদিও 'এৰে' বাক্যত

প্রায়েই ব্যৱহাৰ নকৰে, যেনে— 'সি কুঠাৰে গছ কাটিছে'। আকৌ কোনোক্ষেত্রত সম্বন্ধ পদত যোগ হোৱা বিভক্তি মানুহে প্রায়েই ব্যৱহাৰ নকৰে। যাৰ বা যিহৰ লগত সম্বন্ধ পৰিলক্ষিত হয় সেয়েই হৈছে সম্বন্ধ পদ। সম্বন্ধ পদত ষষ্ঠী বিভক্তি যোগ হয়। এই ষষ্ঠী বিভক্তিৰ চিন 'ৰ'। কিন্তু মানুহে এই দিশটোত গুৰুত্ব নিদিয়াৰ বাবেই বাক্যটো ভুলকৈ প্রকাশ কৰে। যেনে—

ক) তেওঁ স্কুল শিক্ষক

খ) এখেত ভায়'লিন শিক্ষয়িত্রী

দেখা যায় যে, মাতৃভাষাৰ প্রতি থকা শ্রদ্ধাশীল দৃষ্টিভংগীৰ অভাৱৰ বাবেই হওক বা ব্যাকৰণৰ প্রতি থকা অহেতুক ভয়ৰ বাবেই হওক অসমীয়া ভাষালৈ এনেদৰে নানা পৰিৱর্তন আহিবলৈ ধৰিছে। কিন্তু সময়ৰ সোঁতত ভাষাটোৰ মূল ৰূপটো যাতে হেৰাই নাযায় সেই দিশটোৰ প্রতি লক্ষ্য ৰাখি প্রত্যেকজন অসমীয়া আগবঢ়া উচিত। ইয়াৰ লগতে বিভিন্ন জাতীয় সংগঠন, ভিন ভিন দৃশ্য-শ্রাব্য মাধ্যমসমূহো সজাগ হৈ উচিত প্রচেষ্টা গ্রহণ কৰিলে অসমীয়া ভাষাৰ এক সুনিশ্চিত ভৱিষ্যত আশা কৰিব পাৰি। চৰকাৰেও এইক্ষেত্রত ভাষাটো শুদ্ধকৈ প্রচলন কৰাৰ নির্দিষ্ট নীতি-নিয়ম প্রণয়ন কৰা উচিত। এই কথা স্বীকার্য যে বিশ্বায়নৰ প্রভাৱ বর্তমান সকলোতে বিৰাজমান। তথ্য-প্রযুক্তিৰ ক্রমাগত প্রগতিয়ে আমাৰ জীৱনযাত্রা যথেষ্ট উন্নত তথা আৰামদায়ক কৰি তুলিছে। কিন্তু সেয়ে হ'লেও আমি কোনোক্ষেত্রতে নিজক পাহৰি যোৱাটো উচিত নহয়। আন ভাষা শিকাটো অপৰাধ নহয়, ই এক শুভ লক্ষণ। কিন্তু নিজৰ ভাষাটোক অৱজ্ঞা কৰি জনাই-নজনাই বেলেগ ভাষাৰে মাতৃভাষাটো ভৰাই পেলোৱা কার্য কেতিয়াও আদৰণীয় নহয়। কেৱল লিখা-মেলা বা আলোচনাৰ মাজতে বিষয়টো আৱদ্ধ নাৰাখি বাস্তৱ জীৱনত সচেতন হৈ আগবাঢ়িলে নিশ্চিত ৰূপত অসমীয়া ভাষাটোত ইয়াৰ এক ইতিবাচক প্রভাৱ পৰিব। এককথাত ভাষাৰ পৰিৱর্ত্তনশীল বৈশিষ্ট্যক স্বীকাৰ কৰিও দৈনন্দিন জীৱনৰ কোনো ক্ষেত্রতে যাতে ভাষাটোলৈ অস্তিত্বৰ সংকট নামি আহিব নোৱাৰে সেই দিশত সকলোৱে সজাগ হৈ আগবাঢ়িলে একোটা মাতৃভাষা সুৰক্ষিত হৈ ৰ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ আজিকালি বহুলভাৱে ব্যৱহাৰ কৰা নির্দিষ্টতাবাচক প্রত্যয়টো কি?

.....

প্রশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ — কিন্তু বর্তমান দ্বিতীয় আৰু তৃতীয় পুৰুষত যোগ হোৱা পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয়সমূহ মানুহে প্রায়েই আওকাণ কৰা পৰিলক্ষিত হয়।

.....



চিন্তা-চর্চা কৰক — ৯.১

আপুনি ব্যৱহাৰ কৰা এনে ভুল প্ৰয়োগ তথা আপোনাৰ কাণত পৰা এনে পৰিৱৰ্তনসমূহৰ বিষয়ে এটি প্ৰবন্ধ লিখিবলৈ যত্ন কৰক।



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ আৰম্ভণিতে অসমীয়া ভাষাটোলৈ কেনেদৰে পৰিৱৰ্তন আহিছে সেই সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াৰ জৰিয়তে আপুনি অসমীয়া ভাষাত প্ৰভাৱ পেলোৱা বিভিন্ন কাৰক সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিলে। অসমীয়া ভাষাৰ ভুল প্ৰয়োগ ধ্বনি, ৰূপ, শব্দ বাক্য আদিত কেনেদৰে হৈ আছে সেই সন্দৰ্ভত অধ্যায়টিত চমুকৈ আলোকপাত কৰা হ'ল।
- এফ. এম. তথা ভিন ভিন দৃশ্য-শ্ৰাব্য মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাৰ এক আভাস লাভ কৰিলে। এনে মাধ্যমসমূহত কৰ্মৰত ব্যক্তিয়ে ভাষাটো কেনেকুৱা পৰ্যায়লৈ লৈ গৈছে সেই সম্পৰ্কেও এটা ধাৰণা স্পষ্ট হ'ল।
- অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয়, কাৰক আদিৰ গুৰুত্ব আৰু এইসমূহ পৰিহাৰ কৰাৰ ফলত অসমীয়া ভাষাটোত কেনে প্ৰভাৱ পৰিছে সেই বিষয়ে উদাহৰণসহ চমুকৈ আলোচনা কৰা হ'ল। লগতে অধ্যায়টোত অসমীয়া ভাষাৰ নিজস্ব ঐতিহ্য বৰ্তাই ৰাখিবলৈ সকলোৱে কি কৰা উচিত সেই বিষয়ে স্পষ্টকৈ কোৱা হৈছে আৰু ইয়াৰ জৰিয়তে আপোনাক সচেতন কৰিবলৈও যত্ন কৰা হৈছে।



৯.৫ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯১); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, গোলোকচন্দ্র (২০০২); *অসমীয়া ব্যাকৰণ প্ৰৱেশ;* গুৱাহাটীঃ বীণা লাইব্ৰেৰী।

৪) গোস্বামী, গোলোকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) নাথ, স্বপন জ্যোতি (সম্পা.) (২০১২); *লোক-সংস্কৃতি আৰু বিশ্বায়ন;* নগাঁও ঃ খাগৰিজান মহাবিদ্যালয়।

৬) নেওগ, মহেশ্বৰ (১৯৯৪); *নিকা অসমীয়া ভাষা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল ।

৭) পাঠক, ৰমেশ (১৯৯৫); *ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষাৰ গুৰুত্ব;* যোৰহাট ঃ অসম সাহিত্য সভা ।

৮) পাঠক, ৰমেশ (২০১৪); *অসমীয়া ভাষা-সাহিত্য চৰ্চাকাৰীসকলৰ হাত-পুথি;* গুৱাহাটী ঃ স্পন্দন প্রকাশ ।

৯) ফুকন, হেম আৰু ফুকন, দেৱজিৎ (সম্পা.) (২০১০); *বিশ্বায়ন ভাৰতবর্ষ আৰু অসম;* গোলাঘাট ঃ অধ্যক্ষ দেৱৰাজ ৰয় মহাবিদ্যালয়।

১০) মৰল, ভগৱান (১৯৭৮); *অসমীয়া ব্যাকৰণ জ্যোতি;* গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড।

৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বর্তমান বহুলোকে অসমীয়াত কথা কওঁতে 'যা' ধাতুৰ অসমাপিকা ক্রিয়াৰূপ 'গৈ'ৰ পৰিৱর্তে 'যাই', 'যাইকিনি' ব্যৱহাৰ কৰে। উদাহৰণ— মই নিজে যাইকিনি আনিম।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া বাক্য গঠন প্রণালীৰ ৰীতিটো হ'ল— কর্তা + কর্ম+ ক্রিয়া।

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ আজিকালি বহুলভাৱে ব্যৱহাৰ কৰা নির্দিষ্টতাবাচক প্রত্যয়টো হ'ল — টো।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৯.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) বর্তমান যুৱসমাজৰ মাজত প্রচলিত প্রতীকি অর্থযুক্ত শব্দ কেইটামান উল্লেখ কৰক।

(খ) অসমীয়া ভাষাত ক্রিয়াবিহীন বাক্য ব্যৱহাৰ কৰা হয়নে?

(গ) ড্রাইভিং কৰি থকা — বাক্যটো শুদ্ধ নে অশুদ্ধ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বর্তমান সময়ত দৃশ্য-শ্রাব্য মাধ্যমসমূহত কৰা অসমীয়া শব্দৰ ভুল প্রয়োগ সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ২ ঃ চমুটোকা লিখক —

(ক) সাম্প্রতিক সময়ৰ দৃশ্য-শ্রাব্য মাধ্যমৰ অসমীয়া ভাষা

(খ) সাম্প্রতিক সময়ৰ বাতৰি কাকতৰ অসমীয়া ভাষা

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ভাষাৰ ঐতিহ্য বর্তাই ৰাখিবলৈ ভাষাটো প্রয়োগৰ ক্ষেত্রত আমি কেনেদৰে গুৰুত্ব দিয়া উচিত সেই সম্পর্কে মতামত আগবঢ়াওক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ পৰিৱর্তনত কোনবোৰ কাৰকে কেনেদৰে প্রভাৱ পেলাইছে আলোচনা কৰক।

প্রশ্ন ৩ ঃ কথ্য অসমীয়াত কোনবোৰ ধ্বনিৰ উচ্চাৰণত পৰিৱর্তন আহি পৰিছে উদাহৰণসহ চমুকৈ লিখক।

প্রশ্ন ৪ ঃ নির্দিষ্টতাবাচক প্রত্যয় বুলিলে কি বুজে? বর্তমান এই প্রত্যয়বোৰৰ প্রয়োগ কেনেকুৱা সেই সম্পর্কে উদাহৰণেৰে সৈতে বুজাই লিখক।

প্রশ্ন ৫ ঃ অসমীয়া ভাষাৰ কাৰক আৰু দৈনন্দিন জীৱনত ইয়াৰ ব্যৱহাৰ সম্পর্কে এটি চমু আলোচনা যুগুত কৰক।

*** ***** ***